**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। এন ডি এ আৰু মহা মিত্ৰজোট তথা অন্যান্য দলসমূহৰ তাৰকা প্ৰচাৰকসকলে বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

৩। মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰে পৰা অন্তৰ্ভুক্তি আৰু বহনক্ষমতা সম্পৰ্কীয় শীৰ্ষ সন্মিলনৰ সৈতে ৪৭ সংখ্যক আছিয়ান শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব।

***আৰু***

৪। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছিচেইলছলৈ ৰাওনা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

এন ডি এ আৰু মহা মিত্ৰজোট তথা অন্যান্য দলসমূহৰ তাৰকা প্ৰচাৰকসকলে বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। প্ৰচাৰ অভিযানত দুয়োটা দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ আইন শৃংখলা, নিবনুৱা সমস্যা, উন্নয়ন আৰু বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মৌখিক আক্ৰমণ-প্ৰতি আক্ৰমণ কৰা দেখা গৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি দ্বিতীয় দিনাও একেৰাহে দলীয় প্ৰাৰ্থীৰ হকে কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিয়ে। ইপিনে মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰীত্ব প্ৰত্যাশি প্ৰাৰ্থী তেজস্বী প্ৰসাদ যাদৱ আৰু বিকাশ শীল ইনছান দলৰ প্ৰধান মুকেশ সাহানীয়ে বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে খাগাৰীয়া, মুংগেৰ আৰু নালন্দাৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছক সমালোচনা কৰে। শ্ৰী শ্বাহে কয়, যে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বত এন ডি এ চৰকাৰে বিহাৰত উন্নয়নৰ নতুন ছবি দাঙি ধৰিছে। শ্ৰী শ্বাহে লগতে কয়, যে বৰ্তমান বিহাৰ অপৰাধ, জংঘলৰাজ আৰু গণহত্যাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত। দ্বৈত ইঞ্জিনৰ চৰকাৰৰ দিনত বিশেষকৈ কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ চৰকাৰ আৰু ৰাজ্যত নীতিশ কুমাৰৰ চৰকাৰৰ প্ৰচেষ্টাৰ বাবেই ৰাজ্যখন নক্সালমুক্ত ৰূপে পৰিগণিত

হৈছে। তেওঁ এই বুলিও অভিযোগ কৰে যে, লালু প্ৰসাদৰ মুখ্যমন্ত্ৰীত্বৰ সময়ছোৱাত ৰাজ্যখন দুৰ্নীতি আৰু বিভিন্ন কেলেংকাৰীৰ বাবে পৰিছিত আছিল। জনতা দলৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে বাক্সাৰৰ ডুমৰাঅ'ত এখন জনসভাত অংশগ্ৰহণ কৰি কয়, যে ২০০৫ চনত তেওঁ যেতিয়া ক্ষমতালৈ আহিছিল, তেওঁৰ চৰকাৰে ৰাজ্যখনৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ যথেষ্ট উন্নতী কৰিছিল। তেওঁৰ সময়ছোৱাত ৰাজ্যখনত সাম্প্ৰদায়িক সম্প্ৰীতিও দেখা গৈছিল। ইপিনে, আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে খগড়িয়াৰ আলৌলি আৰু গুগৰী তথা ভোজপুৰ জিলাৰ ছাহপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনৰ সকলো দিশতে ব্যৰ্থ হৈছে বুলিও অভিযোগ কৰে। তেওঁ কয়, যে বিহাৰৰ জনসাধাৰণে ২০২৫ বৰ্ষত পৰিৱৰ্তন বিচাৰিছে। আৰ জে ডিৰ নেতাগৰাকীয়ে নীতিশ কুমাৰৰ চৰকাৰ মাদকদ্ৰব্য প্ৰতিৰোধৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি সমালোচনা কৰে।

একেদৰে অন্যান্য দলসমূহৰ নেতা তথা তাৰকা প্ৰচাৰকসকল বিশেষকৈ জন সুৰজ পাৰ্টীৰ প্ৰশান্ত কিশোৰ, জনশক্তি জনতা দলৰ তেজ প্ৰসাদ যাদৱ আৰু বাওপন্থী দলসমূহৰ নেতাসকলে বিভিন্ন নিৰ্বাচনী প্ৰচাৰ সভাত কালি অংশগ্ৰহণ কৰে।

০০০০০

মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰে পৰা অন্তৰ্ভুক্তি আৰু বহনক্ষমতা সম্পৰ্কীয় শীৰ্ষ সন্মিলনৰ সৈতে ৪৭ সংখ্যক আছিয়ান শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। আছিয়ান শীৰ্ষ সন্মিলনত উদ্বোধনী অনুষ্ঠানত আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ সকলো সদস্য ৰাষ্ট্ৰৰ নেতাসকল উপস্থিত থাকিব। এই সন্মিলনত তিম'ৰ - লেষ্টেক আছিয়ান ৰাষ্ট্ৰগোষ্ঠীত অন্তৰ্ভুক্তি সন্দৰ্ভত ঘোষণাপত্ৰ স্বাক্ষৰ কৰা হ'ব। ইয়াৰ লগে লগে তিম'ৰ লেষ্টে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ একাদশ সদস্য ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব।

মালয়েছিয়াত হ'বলগীয়া বিভিন্ন সন্মিলনৰ ভিতৰত আছিয়ান শীৰ্ষ সন্মিলন, আছিয়ান আৰু ৭ খন আলোচনা সহযোগী ৰাষ্ট্ৰ - অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, কোৰিয়া গণৰাজ্য, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ আছিয়ান প্লাছ ৱান শীৰ্ষ সন্মিলন অন্যতম। আছিয়ান শীৰ্ষ সন্মিলনৰ পূৰ্ণাংগ অধিবেশনৰ আলোচনাত সদস্য ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গই আছিয়ান সম্প্ৰদায় গঠন আৰু আছিয়ানৰ সৈতে বাহ্যিক সম্পৰ্কৰ দৰে বিষয়সমূহত গুৰুত্ব প্ৰদান কৰিব। নেতৃবৰ্গই আঞ্চলিক সংহতি গভীৰ কৰা, অৰ্থনৈতিক বিকাশ শক্তিশালী কৰা আৰু আছিয়ান সম্পৰ্ক বৃদ্ধিৰ উপায় সম্পৰ্কে মত বিনিময় কৰিব।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছিচেলছলৈ ৰাওনা হ'ব। ছিচেলছৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডঃ পেট্ৰিক হাৰ্মিনিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিগৰাকী এই ভ্ৰমণলৈ যাব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয়, যে এই ভ্ৰমণৰ সময়ত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ডঃ হাৰ্মিনীক ভাৰতৰ হৈ সম্বৰ্ধনা জ্ঞাপন কৰিব আৰু দুয়োখন দেশৰ মাজৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্পৰ্ক পুনৰ সুদৃঢ় কৰিব। এই ভ্ৰমণে ছিচেলছৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় সেনাৰ দশকযোৰা পৰিৱৰ্তনৰ দৃষ্টিভংগীক শক্তিশালী ৰূপ প্ৰদান কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি ৰাজস্থানৰ জেইচলমেৰত সেনাৰ কমাণ্ডাৰসকলৰ সন্মিলনত কেইবাটাও গুৰুত্বপূৰ্ণ ডিজিটেল আৰু কল্যাণমূলক পদক্ষেপৰ উদ্বোধন কৰে। এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ ভিতৰত কোনাৰ্ক আৰু ফায়াৰ এণ্ড ফিউৰি বাহিনীৰ বাবে ডাটা চেণ্টাৰৰ উদ্বোধন কৰে। সেনাৰ ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত এই ডাটা চেন্টাৰক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে আধুনিক সঁজুলি হেল্প লাইন প'ৰ্টেল মুকলি কৰে। আৰমান মঞ্চৰ জৰিয়তে ১২০০তকৈও অধিক ৰে’লত প্ৰতিৰক্ষা সেৱা কোটা আসনৰ কামকাজৰ আধুনিকীকৰণ কৰিবলৈ 'সৈনিক যাত্ৰী মিত্ৰ’ এপৰো শুভাৰম্ভ কৰে। ভাৰতীয় সেনাৰ অতিৰিক্ত জন তথ্য সঞ্চালকালয়ৰ তৰফৰ পৰা সামাজিক মাধ্যমৰ এটা বাৰ্তাত কোৱা হৈছে যে, এই পদক্ষেপসমূহে ডিজিটেল ৰূপান্তৰ, কাৰ্য্যকৰী দক্ষতা আৰু ইয়াৰ কৰ্মচাৰীসকলৰ কল্যাণৰ প্ৰতি ভাৰতীয় সেনাৰ দায়বদ্ধতাক আলোকপাত কৰে।

০০০০০

দেশৰ বিভিন্ন অংশত কালিৰে পৰা ৪ দিনীয়া ষট পূজা অনুষ্ঠিত হৈছে। সূৰ্য দেৱতাৰ নামত উৎসৰ্গিত এই উৎসৱ প্ৰকৃতি আৰু পৰিষ্কাৰ -পৰিচ্ছন্নতাৰ আৰাধনাৰ প্ৰতীক। ভক্তসকলে পূজাৰ প্ৰথম দিনা পবিত্ৰ ব্ৰত ৰখাৰ সংকল্পৰে পবিত্ৰ স্নান সম্পন্ন কৰে আৰু পূজা আৰ্চনাৰ অন্তত আৰৱা চাউলৰ আহাৰ আৰু জাতিলাও চবজী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট পূজা উপলক্ষে দেশ-বিদেশৰ ভক্তসকলক ওলগ জনাইছে। শ্ৰীমোদীয়ে কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে ব্ৰতত থকা সকলো লোকৰ অভূতপূৰ্ব ভক্তিৰ প্ৰতি প্ৰণিপাত জনায় আৰু এই ৪ দিনীয়া উৎসৱৰ সাংস্কৃতিক গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে পবিত্ৰতা আৰু নীতি-নিয়ম পালনৰ দিশৰ পৰা অদ্বিতীয় এই উৎসৱ, সৰলতা আৰু সংযমৰ প্ৰতীক স্বৰূপ। তেওঁ লগতে কয়, যে ষট পূজাৰ ঘাটসমূহৰ দৃশ্যৰাজিয়ে পাৰিবাৰিক আৰু সামাজিক সম্প্ৰীতি সদ্ভাৱৰ প্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰীয়ে লগতে সমাজৰ ওপৰত গভীৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নহায় খায় উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে নহায় খায় প্ৰথাৰে আৰম্ভ হোৱা ষট পূজা পৰম্পৰা, আস্থা আৰু সামাজিক সম্প্ৰীতিৰ উৎসৱ। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধিৰ বাবে ষঠী ময়াৰ ওচৰত প্ৰাৰ্থনা জনায়।

০০০০০

সমাপ্ত